**বিজ্ঞান ধাৰাৱাহীক – অবিৰত বিকাশৰ ....**

**খণ্ড – ২৬ – চিৰদিনৰ, চিৰকালৰ ...**

**ডঃ শ্যামা প্ৰসাদ শৰ্মা**
**(মূল লেখনীৰ পৰা আভাস লোৱা হৈছে)**

**চৰিত্ৰ সমূহ**

১. পঞ্চায়তৰ সভাপতি – ৬০ – ৬২ বছৰ বয়স
২. অমিয়, গাৱঁৰ পৰা গৈ ডাঙৰ ব্যৱসায়ী ৫০ – ৫২ বছৰ
৩. নবীন, অমিয়ৰ পাঠশালাৰ সহপাঠী, গঞা ৫০ – ৫২ বছৰ
৪. অৱন্তী, বৰ্তমানৰ পাঠশালাৰ শিক্ষয়িত্ৰী ৩০ – ৩২ বছৰ
৫. প্ৰকৃতি, প্ৰতীকী চৰিত্ৰ
৬. অলক, গ্ৰাম্য সাংবাদিক ২৮- ৩০ বছৰ

**ঘোষণা আৰু শীৰ্ষ সংগীত**

**দৃশ্য – ১**

**(চজিনাগুৰি গাওঁ পঞ্চায়তৰ সম্বৰ্ধনা আৰু অন্তৰংগ আমাপ অনুষ্ঠান। এক আনন্দমুখৰ পৰিৱেশ)**

সভাপতি – চজিনাগুৰি গাওঁ পঞ্চায়তৰ মাননীয় সদস্যসকল, আমাৰ অতি আদৰৰ অমিয় বোপা আৰু তেওঁৰ পৰিয়ালবৰ্গ। আজি আমাৰ বাবে অতি আনন্দৰ দিন। গৌৰৱৰো দিন। আনন্দ আৰু গৌৰৱৰ কাৰণ হ'লগৈ আমাৰ এই গাৱঁৰে অমিয় বোপা!! এই গাৱঁৰে বোকা – মাটিৰে খেলি তেওঁ সুখ্যাতিৰে মেট্ৰিক পাচ কৰে আৰু আই. আই. টিৰ স্নাতক হয়। তাৰ পিছত তেওঁ চাকৰিৰ সলনি ব্যৱসায়ত ধৰে আৰু দক্ষিণ পূৱ এচিয়াৰ এজন লেখত ল'বলগীয়া ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠিত হয়। যোৱা বছৰ তেওঁক চিংগাপুৰত বছৰচটোৰ এগৰাকী শ্ৰেষ্ঠ ব্যৱসায়ী হিচাপে পুৰস্কৃতও কৰা হয়।

আটায়ে – (হাততালি) সজ, সজ! বৰ ভাল বৰ ভাল!!

সভাপতি – হয় ৰাইজ! সচাঁকৈয়ে বেছ ডাঙৰ কথা, বেছ গৌৰৱৰ কথা।আমাৰ অমিয় বোপাই তাতকৈও ডাঙৰ কাম এটা কৰাৰ বাবে আগ বাঢ়ি আহিছে...

আটায়ে – সেইটো আৰু ভাল কথা। কিল কাম? কি কাম??

সভাপতি – সেই বিষয়ে অমিয় বোপাৰ মুখেৰাই শুনিম বুলি ভাৱিছো। ৰাইজ! আজিৰ এই মুকলি কথা – বতৰাৰ আয়োজন ঠিক সেই বিষয়টোকেই লৈ। অমিয় বোপা ...

আটায়ে – (হাতালি) শতায়ু হোৱা! শতায়ু হোৱা!!

অমিয় – ৰাইজ! নমস্কাৰ আৰু সেৱাহে!! (হাততালি) মই এইখন গাৱঁৰে বোকা – পানী – মাটি গছকি ডাঙৰ হোৱা ল'ৰা। আমাৰ এই পঞ্চায়ত অফিচৰষমুখতে থকা পাঠশালা খনতেই পঢ়া। দেউতা এই পাঠশালাৰেই শিক্ষক আছিল। তেতিয়া আমাৰ পাঠশালাৰ চৌহদত এতিয়াৰ দৰে পকীবেৰ নাছিল, - চৌহদৰ সীমাত ভালেমান ডাঙৰ ডাঙৰ গছ আছিল। বেছিভাগেই আমি চিনি পোৱা নাছিলো...

নবীন – অমিয়! মোক চিনি পাইছনে? মই নবীন, তোৰ লগত একেলগে পঢ়া! প্ৰতি বছৰে সস্বতী পূজাত চকিদাৰে কাটি – ফালি দিয়া কদম গছৰ খৰিবোৰ যে আমি ঠাক ঠাক কৈ ৰ'দত শুকাইছিলো ... মনত আছেনে অমিয়?

অমিয় – আছে তো? কিয় নাথাকিব??
**(স্মৃতিৰোমন্থণত মাত থোকাথোকিদিয়ে। আৱেগিক হৈ পৰে)**
পাঠশালাখনৰ পিছফালে থকা জলাহটোৰ পাৰত পিতাই এখন কলৰ বাৰীও কৰিছিল। সৰস্বতী পূজাত থোকে থোকে সেইবোৰ চুণ লগাব দিছিল। সেই কলেই পূজাৰ বাবে উভনদীঝৈ গৈছিল, তাৰ উপৰিও নাৰীকল- তামোল পাণ, বগৰী, আত্লচ, কুঁহিয়াৰ, ৰবাব টেঙা আদিৰো গছ আছিল।

নবীন – মানে সকলো মিলাই পূজাখন আমাৰ ...

দুয়ো – স্কুলৰ বস্তুৰেই হৈ গৈছিল।

নবীন – কিনাৰ ভিতৰত কেৱল বুট- মাহ আৰু খিচিৰিৰ যোগাৰখিনিয়েই বাচ ...

অমিয় - ... সৰুতে আমি এইবোৰ পাই খুউব ভাল পাইছিলো ... অবাধে, ইচ্ছামতে সেইবোৰ খাবলৈ পাই ... খুউব ফুৰ্তিও পাইছিলো...। তেতিয়া এইবোৰৰ গুৰুত্ব বুজিব পৰাকৈ আমাৰ বয়সেই হোৱা নাছিল। ... বয়স হোৱাত বুজি পালো এয়া অকল স্বাৱলম্বীঝোৱাৰ ব্যৱহাৰিক পাঠেই নহয়, ই এক নিভাঁজ তথা প্ৰচাৰবিমুখ প্ৰকৃতি প্ৰে-মো ...।

অৱন্তী – হয়! অমিদাদাই ঠিকেই কৈছে... সেয়া আছিল মানুহৰ ভালৰ বাবে প্ৰকৃতিৰ আপডাল আৰু প্ৰকৃতিৰ দানেৰে সুখী হোৱাৰ প্ৰয়াস। অ' ক'বলৈ পাহৰিছিলোৱেই ... মোৰ নাম অৱন্তী, অৱন্তী বৰদলৈ। অমিয় দাদাই মোক চিনি নাপাব... মই এতিয়আ তেওঁ পঢ়ই যোৱা পাঠশালাখনৰেই শিক্ষয়িত্ৰী।

অমিয় – অৱন্তী বাইদেউ! নমস্কাৰ। আপুনি সজ কথাকেই কৈছে। তেতিয়াৰ দিনত আজৰদৰে ব্যাপকভাৱে প্ৰকৃতি ধ্বংস কৰাৰ কথাই নাছিল, - প্ৰকৃতিক লালন – পালন কৰি, প্ৰকৃতিৰ ক্ষয়- ক্ষতি নোহোৱাকৈ যিখিনি পাব পাৰি, সেইখিনিৰেই মানুহ সন্তুষ্ট আছিল। এই দৃষ্টিভংগী আৰু মানসিকতা আমি আমাৰ ঐতিহ্য – পৰম্পৰা আৰু উত্তৰাধিকাৰ হিচাপেই পাইছিলো ...।

অৱন্তী- হয়, আজিৰদৰে সেইবোৰ কণমাণিহঁতৰ পাঠ্যক্রম আৰু পাঠ্যপুথিৰতো নাছিলেই, আজিৰদৰে শোভাযাত্রা, আলোচনা- চক্র, সজাগতা কাৰ্য্যসূচী আদিৰ জৰিয়তে মানুহক সজাগ কৰাৰো প্ৰয়োজন নাছিল। ধৰ্ম - ঐতিহ্য - সংস্কৃতি আৰু পৰম্পৰাৰ জৰিয়ৰতে মানুহে সেইবোৰ কথা জানিছিল আৰু নিষ্ঠাৰে পালনো কৰিছিল ...

অমিয় - ... ফলত, এক অতুলোনীয় ভাৰসাম্যই প্ৰকৃতি আৰু মানুহক ওতপ্ৰোৎভাৱে সাঙুৰি ৰাখিছিল আৰু প্ৰকৃতি – আজিৰদৰে ৰুষ্ট, ৰুক্ষ আৰু সংহাৰী হৈ উঠা নাছিল।

**(ধুমুহা – শিলাবৃষ্টি – বান – ঢেৰেকণি আদিৰ কান তালমৰা শব্দ। তাৰ মাজতেই পীড়িতৰ আৰ্তনাদ। বিশেষ সাংগিতীক প্ৰভাৱ ...)**

মানুহৰ অত্যাচাৰ, অপৰিকল্পিত উদ্যোগ আৰু যধে- মধে হাতত লোৱা বিকাশৰ আচঁণি আদিৰ ফলত ... আজি গোটেই বিশ্বজুৰিয়েই ... প্ৰকৃতিক অংচ্ছেদ কৰি বিকলাংগ কৰি তোলা হৈছে ... খণ্ডিত ছিন্ন – ভিন্ন প্ৰকৃতিয়ে ৰুদ্ৰৰুপ ধাৰণ কৰি যেন অবিৰতভাৱে আমাক সকীয়াই আছে ...

**(অলৌকিক সংগীতৰ মাজতে প্ৰকৃতিৰ বিলাপ প্ৰতিধ্বনিত হ'ব)**

প্ৰকৃতি – হে অমৃতপুত্ৰ, মোৰ মৰমৰ সন্তানসকল তহঁতে অবুজ শিশুৰদৰে বিকাশ আৰু প্ৰজাতিৰ নামত ... এইবোৰ কি কৰিব ধৰিছ?? আগ – পাছ নুশুনি.. তহঁতে তহঁতৰ 'প্ৰথম মাতৃ'ৰ অস্তিত্বই বিপন্ন কৰি তুলিছ। মোৰ এই বিপন্নতাই তহঁতকো যে বিপন্ন আৰু ধ্বংসমূখী কৰি তুলিছে, এই কথা তহঁতে বুজিয়েই পোৱা নাই ... জোৰ পুৰি হাত পালেহি বাছাহঁত। আৰু পলম কৰাৰ সময় নাই ... মোক, মানে তহঁতৰ 'প্ৰথম মাতৃ'ক ৰক্ষা কৰ বাচাহঁত... মোক বচা বাছাহঁত! আৰু মোক বচাই, তহঁতে নিজেও বচাৰ পথ প্ৰশস্ত কৰ...

**(অলৌকিক সংগীত ক্ৰমে নীৰৱ হৈ আহে)**

অমিয় – ৰাইজ! শুনিছেনে আপোনালোকে?

আটায়ে – হয়, শুনিছো, শুনিছো।

অমিয় – প্ৰকৃতি আইৰ এই আহ্বান মই প্ৰায়েই শুনো – বিশেষকৈ আই.আই.টিৰ স্নাতক হোৱাৰ পিছত মই যেতিয়া ... চাকৰিৰ সলনি ব্যৱসায়ত লাগিলো, .. তেতিয়া ... তেতিয়া... এনে আহ্বান মই বেছ ঘনে ঘনেই শুনিবলৈ পোৱা হ'লো...

আটায়ে- ... আচৰিত কথাতো ...!!

অৱন্তী – বাৰু অমিয়দা! আপোনাৰ ব্যৱসায়ৰ সৈতে প্ৰকৃতি মানে প্ৰাকৃতিক সম্পদ আহৰণৰ কিবা সম্পৰ্ক ...??

অমিয় – নিশ্চয় আছিল। প্ৰথমতে মই তথ্য – প্ৰযুক্তিৰ ব্যৱসায়ত হাত দিওঁ। তাৰ পিছত ৰাষ্ট্ৰীয় ঘাইপথ বহল কৰা, খনিজ পদাৰ্থৰ খনন, নদীবাহসজা কোম্পানী, আৱাসিক অটালিকা নিৰ্মানকে আদি কৰি বিভিন্ন ধৰণৰ ব্যৱসায় কৰি প্ৰতিষ্ঠা লাভ কৰো ...।

অৱন্তী – হাৰে ে ...।। তথ্য – প্ৰযুক্তিক বাদ দিলে বাকী আটাইবোৰেই দেখোন ... প্ৰকৃতিৰ সৈতে জড়িত, প্ৰকৃতি ধ্বংস কৰাৰ সৈতে জড়িত!! .. অমিয়দা! আপুনি এই গাৱঁৰ মাটি – পানীৰে লালিত – পালিত হৈ ডাঙৰ হোৱা মানুহ। গতিকে, প্ৰকৃতি আই আপোনাৰ হাড়ে – হিমজুৱে এক কল্যাণকামী মাতৃ ৰুপে অধিষ্ঠিত। সেই বাবে, প্ৰকৃতিৰ পৰা হিচাপতকৈ বেছি সম্পদ আহৰণ কৰা, বৃহৎ লাভৰ খাটিৰত প্ৰকৃতি ধ্বংস কৰা আদি কামত লিপ্ত হ'বলগীয়া হ'লেই, সহজাত ভাৱে আপোনাৰ মনত অপৰাধবোধ জাগে ... আৰু তাৰ ফলেই হৈছে ... ঘনে ঘনে শুনা প্ৰকৃতি আইৰ সেই আহ্বান ...

অমিয় – অৱন্তী বাইদেৱে ঠিক কথাকেই কৈছে। মনোযোগ বিশেষজ্ঞ সকলেও ... মোক সেই কথাই কৈছিল, সেই ব্যাখ্যাই আগ বঢ়াইছিল। ৰাইজ! প্ৰকৃতিৰ শোষণ আৰু লুণ্ঠণৰ সৈতে জড়িত এনেবোৰ ব্যৱসায়ত মই দোপত দোপে উন্নতি কৰি, সফলতাৰ শিখৰ পালো সচাঁ, কিন্তু মোৰ অপৰাধবোধে মক খুলি খুলি খাবলৈ ধৰিলে ...
(কৰুণ সুৰ, প্ৰকৃতিৰ সেই আহ্বানৰ এচোৱা চলুকৈ বিলম্বিতভাৱে)
অসমত আন হহজনৰ দৰে ময়ো প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদক অফুৰন্ত ধণৰ ভাণ্ডাৰ বুলি ধৰি লৈ ব্যৱসায় কৰিছিলো, সেয়া ভূল আছিল, এক মাৰাত্মক ভূল। (উচুপনি)

সভাপতি – অমিয় বোপাৰ এই উপলব্ধি সচাঁকৈয়ে মহৎ ... আমি, আমি আটায়ে ... অমিয় বোপাৰ এই উপলব্ধি ... মনে – প্ৰাণে উপলব্ধি কৰিছো ... নহয়নে বাৰু ৰাইজ!

আটায়ে – হয়, হয়! নশ্চয় ...

সভাপতি - ... অমিয় বোপা!

অমিয় – ক্ষমা কৰিব ৰাইজ! মই অলপ বেছি আৱাগিক হৈ পৰিছিলো ...।

আটায়ে - ... কোনো কথা নাই, কোনো কথা নাই!! আপুনি আপোনমনে কৈ যাওঁক!

অমিয় - ... সেই ভূলৰ শুধৰনি কৰিবলৈয়ে ... মই গাৱঁৰ ল'ৰা গাৱঁলৈ ঘুৰি আহিছো। ৰাইজ, অকল সেই ভুলৰ শুধৰনিয়েই নহয়, সেই ভুলৰ ক্ষতিপূৰণ কৰিবলৈও মই উভটি আহিছো ...

(ৰাইজৰ মাজত গুণগুণনি এনে ধৰণৰ)
- ইম্মা-ন ডাঙৰ ব্যৱসায় এৰি...
- কেৱল মাত্ৰ ভুল শুধৰাবলৈয়ে ... বাপ ৰে বাপ!
- এয়াতো এক বিৰাই অনিশ্চয়তা
- জানো!! এনেবোৰ মানুহৰ চিন্তা- চৰ্চাই বেলেগ
- কি বা কৰে??

নবীন – অমি – য়!... তোৰ বুৰসায় – পাতিএকেবাৰেই

অমিয় – নাই, নাই! বন্ধ কৰি অহা নাই। মোৰ ল’ৰা দুটাক সেইবোৰ চম্ভালিব দি আহিছো।

নবীন - ... তেনেহ’লে ... অমিয় ভাই! কথা এটা কওঁ, বেয়া নাপাবি ...

অমিয় – ক’! নাপাওঁ দে ...।

নবীন – তই এৰি অহা ব্যৱসায়বোৰ যদি ল’ৰা দুটায়েই চলাই থাকে তেনেহ’লে ... তোৰদৰে ভুল দেখোন ...

অমিয় - ... সিহঁতেও কৰি থাকিব!! .. এই কথাও মই চিন্তা নকৰা নহয়। সেইবাবে সিহঁতক বুজাই থৈ আহিছো, যিমান কম সময়ৰ ভিতৰৰেই পাৰে ... সিহঁতেও প্ৰকৃতিৰ লুণ্ঠণ আৰু ধ্বংসৰ সৈতে সাঙোৰ খাই থকা ব্যৱসায়কেইটা সংকুচিত কৰি আনক ...

সভাপতি – সচাঁকৈয়ে সজ আৰু দূৰদৰ্শী চিন্তা।

আটায়ে – আমাৰ অমিয় জিন্দাবাদ! জিন্দাবাদ!! ... আমাৰ অমিয় গাৱঁৰ গৌৰৱ, দেশৰ গৌৰৱ! দেশৰ গৌৰৱ ...!!

অমিয় - ৰাইজ! .. এই সন্দৰ্ভতে আজি কেইবা দশক ধৰি মোক আমনি কৰি থকা কেইটামান প্ৰশ্ন, মই আপোনালোকক ভাবি চাবলৈ অনুৰোধ কৰিলো। ... বাৰু! প্ৰকৃতিক কি আমি সচৰাচৰ কৰি অহাৰ দৰে ধন আহৰণৰ অফুৰন্ত ভাণ্ডাৰ হিচাপেহে ব্যৱহাৰ কৰিব লাগে নেকি?

আটায়ে – কেতিয়াও নালাগে, কেতিয়াও নালেগে!!

অমিয় – বিকাশৰ নামত, বিকাশৰ খাটিৰত প্ৰকৃতি ধ্বংস কৰাটো উচিট নে??

আটায়ে - ... অনুচিত, অনুচিত!! ... এয়া আত্মঘাতী প্ৰচেষ্টা ...

অমিয় – বিকাশৰ বাবে প্ৰকৃতি ধ্বংস কৰাৰ একোটা সীমা থাকিব নালাগেনে??

আটায়ে- নিশ্চয় লাগে! নিশ্চয় লাগে!!

অমিয় – বিকাশ আৰু প্ৰকৃতি, - এই দুটাৰ ভিতৰত কোনটোৱে আগভাগ পাব লাগে ...??

(কাৰো উত্তৰ স্পষ্ট নহয়। সৰৱ চিন্তাৰ গুণগুননি)

একাংশ – বিকা – শ ...
একাংশ – প্ৰকৃতি ...
একাংশ – প্ৰকৃতি আৰু বিকাশ দুয়োটাই ...

অৰন্তী – অমিয়দা! আপোনাৰ এই প্ৰশ্নটোৰ উত্তৰ থাওকতে ইটো বা সিটো বুলি কৈ দিব নোৱাৰি। ... বিকাশ আমাক লাগিবই ...

আটায়ে – হয়, লাগিবই লাগিবই...!!

অৰন্তী – আকৌ ... সুস্থ, সতেজ, মংগলময় প্ৰকৃতি অবিহনে ... পৃথিৱীত মানুহ আৰু জীৱকুলৰ কথাটো ভাবিবই নোৱাৰি। .. সেইবাবে, প্ৰকৃতিৰ অংশবিশেষ উছন যোৱাকৈ ধ্বংস কৰি কৰা বিকাশৰ কোনো মানে নাই ...। দেখাত বিকাশ যেন লাগিলেও ... এয়া দৰাচলতে বিনা-শহে ...। (ৰাইজৰ গুণগুণনি)
এচাম – তা-তা-তাৰ মানে ... বিকাশৰ নামত বিনে-শ অৰ্থাৎ ...

আটায়ে - ... বিকাশৰ চদ্মবেশত ... বি-না-শ!!

অৰন্তী - ... এইটো অতি মাৰাত্মক কথা, আৎম্ঘাতী প্ৰক্ৰিয়া! ... ৰাইজ! আপোনালোকে আমাৰ পূৰ্বপুৰুষসকলৰ কথাই ভাবি চাওঁকছোন। ... তেওঁলোকৰ দিনত বিকাশ হোৱা নাছিল নেকি?

আটায়ে – নিশ্চয় হৈছিল, নিশ্চয় হৈছিল!!

অৰন্তী – সেই বিকাশৰ এটা লয় আছিল, তাল – মান আছিল, - সময় আৰু পৰিস্থিতিৰ সৈতে খাপ খাব পৰাকৈ এক সাৱলীল বিকাশ ... আজিৰ দৰে অতি দ্ৰুত, অতি বেগী আৰু খাপ খাব নোৱাৰা বিকাশ নহয় ... তেতিয়া মূলতঃ জীৱন আৰু প্ৰকৃতিৰ অবিচ্ছেদ্য অংগ হিচাপে বিকাশক প্ৰতিপালন কৰা হৈছিল...। এতি্যাৰদৰে যধে মধে অন্যান্য দিশবোৰ আওকাণ কৰি বিকাশৰ পৃষ্ঠপোষকতা কৰা হোৱা নাছিল...। বিকাশৰ নামত বিকাশৰ খাটিৰত প্ৰকৃতিৰ আপূৰণীয় ক্ষতি কৰাৰ কথা তেতিয়াৰ মানুহে ভাবিবই পৰা নাছিল ...

সভাপতি - ... আৰু বিজ্ঞানী, প্ৰযুক্তিবিদ আৰু পৰিকল্পনাকাৰী সকলেও ... এই কথাবোৰ চিন্তা কৰিয়েই বিকাশৰ আচঁনি তৈয়াৰ কৰি কামত লগাইছিল।

আটায়ে - ... দুৰ্য্যোগ – দুৰ্দশা আৰু অকালমৃত্যুক বৰ পীৰা পাৰি দিয়াৰ লেখীয়া কথা ...

অমিয় – আপোনালোকে ঠিক কথাকেই কৈছে, সমস্যাটোৰ একেবাৰে ‘তত’তেই ধৰিছে। ... আচলতে. প্ৰকৃতি ধ্বংস কৰি নহয়, - প্ৰকৃতিৰ পৰা ঠিক লগাখিনিহে লৈ ... প্ৰকৃতিৰ সৈতে সহ – অৱস্থান কৰি বিকাশৰ পথেৰে আগ বঢ়াটোহে আচল কথা, আচল পথ ...

আৰন্তী - ... আৰু এনেদৰে হোৱা বিকাশহে, মংগলময় বিকাশ, টিকি থকা বিকাশ..!! নিৰাপদ আৰু অবিৰাম বিকাশৰ গুৰিৰ কথাই এইটো .. আজি-কালি বিজ্ঞানী – প্ৰযুক্তিবিদ আৰু পৰিলল্পনাকাৰী সকলে ইয়াকেই বহনক্ষম বিকাশ মানে টিকি থাকিব পৰা নিৰাপদ আৰু মংগলময় বিকাশ বোলে ...

সভাপতি – হয়, এই বহণক্ষম বিকাশৰ কথাটোই এতিয়া বিশেষ গুৰুত্ব লাভ কৰিব ধৰিছে। ... মাননীয় সদস্যসকল। আমাৰ ভালেমান বিকাশৰ কাম কৰি আহিছে। .. ইয়াৰ ফলত যাতে আমাৰ প্ৰকৃতিৰ অপূৰণীয় ক্ষয়-ক্ষতি নহয়, সেই কথা আমি এতিয়াৰেপৰাই বিশেষভাৱে চাব লাগিব। প্ৰয়োজন হ'লে, তাৰ বাবে বিশ্ববিদ্যালয়, আই আই টি আদিৰ বিশেষজ্ঞৰ সৈতেও কথা পাতি উপদেশ ল'ব লাগিব।

আটায়ে – অত সজ সিদ্ধান্ত! অতি সজ সিদ্ধান্ত!!

অমিয় - ... প্ৰতিখন গাওঁ পঞ্চায়তে বহনক্ষম বিকাশৰ এনে মন্ত্ৰৰে দীক্ষিত হৈ কাম কৰিবলৈ ল'লে...

অৱন্তী - ... অকল গাৱঁৰেই নহয়, ... দেশৰো উন্নতি

আটায়ে - ... অৱশ্যাম্ভাৱী

(হাত চাপৰি)

সভাপতি – ৰাইজ! আমাৰ মুকলি আলোচনাৰ প্ৰথম পৰ্ব ইয়াতেই শেষ! .. কুৰি মিনিটৰ চাহবিৰতিৰ পিছত ... আমি ইয়াতেই আকৌ লগ লাগিম আৰু ... অমিয় বোপাই নো গাৱঁলৈ উভতি আহি কি কৰিব খুজিছে তাকেই ক'ব।

(হাততালি)
অ' আৰু এটা কথা! ... আজিৰ এই সভাৰ চাহ -জলপানৰ সমস্ত খৰচ বহন কৰিছে ... নবী-ন চমুৱাই...! .. নবীন চমুৱা ...

আটায়ে – জিন্দাবাদ্দ! জিন্দাবাদ!! (সংগীত)

দৃশ্য ২

(মুকলি আলোচনাৰ দ্বিতীয় পৰ্ব)

সভাপতি - ... ৰাইজ! .. আমি এতিয়া আমাৰ মুকলি আলোচনাৰ দ্বিতীয় আৰু শেষ পৰ্ব আৰম্ভ কৰিব ওলাইছো। .. অমিয় বোপা ...

অমিয় – ধন্যবাদ সভাপতি মহোদয়! .. মই কি কৰিবৰ বাবে আৰু কেনে ধৰনে কৰাৰ কথা ভাবি মোৰ গাৱঁলৈ উভতি আহিছো ... সেইখিনি কোৱাৰ আগতে মোৰ সামান্য জ্ঞানেৰে প্ৰকৃতি আৰু জীৱকুলৰ বিষয়ে দুটামান কথা আলোচনা কৰিব খুজিছো।

আটায়ে – বৰ ভাল কথা! বৰ ভাল কথা!!

অমিয় – আপোনালোক আটায়েই জানে যে ধৰাৰ বুকুত মানুহৰ আৱিৰ্ভাৱ হোৱাৰ আগতেও অৰণ্য আছিল, জীৱকুল আছিল আৰু প্ৰকৃতি আছিল। মানুহৰ আৱিৰ্ভাৱ আগতেই অৰন্য হ'ব লাগিলে এটা স্বংক্ৰিয় প্ৰক্ৰিয়াৰেই এই কাম হ'ব লাগিব। গছ – লতাৰ গুটি পূৰঠ গুটি সৰি পৰিলে, তাৰপৰাই এটা এলেকাত গছ-লতাৰ শ্ৰীবৃদ্ধি হ'ব পাৰে। বতাহেও এই কামত সহায় কৰে। তাৰ লগতে কিছুমান চৰাই – চিৰিকতি আৰু জীৱ – জন্তুৱেও গছ-লতাৰ গুটি খায় বিষ্ঠাৰ সৈতে উলিয়াই দিয়াৰ ফলতো একো একোবিধ গছ-লতা এঠাইৰপৰা আন ঠাইলৈ বিয়পি পৰে ... এই প্ৰক্ৰিয়আটো অতি পুৰনি কালৰে পৰাই এতিয়ালৈকে চলি আহিছে...

অলক – হয় অমিয়দা! সাধাৰণতে বৃহৎ বৃহৎ গছ আৰু অটালিকাবোৰত এনে ধৰণে বট, আহঁত আদি নানান গছ হোৱা দেখা যায়। ..কিছুমান ঠাইত এনেদৰে একেজোপা গছতেই চাৰি-পাচঁবিধ পৰ্য্যন্ত উদ্ভিদ হোৱা দেখা যায় ... আৰু সেইবোৰ মূল্যৱান  গছ হ'লে, ৰাইজে পঞ্চবট বা পঞ্চবৃক্ষ বুলি সেইবোৰক পূজাও কৰে ...

অমিয় – আপুনি ঠিক কথাকেই কৈছে শ্ৰী ...?

অলক – অ' ক'বলৈ পাহৰিছিলোৱেই ... মই শ্ৰী অলক বৰকটকী ... এই অঞ্চলৰ স্থানীয় সংবাদদাতা। .. নাফ কৰিব ৰাইজ! বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা বাবে মই মুকলি  আলোচনাৰ প্ৰথম পৰ্বত থাকিব নোৱাৰিলো ...

আটায়ে - ... কোনো কথা নাই, কোনো কথা নাই! .. ইমা – ন ব্যস্ততাৰ মাজতেই পলমকৈ হলেও আপুনি যে আহিছে ...

সভাপতি - ... সেইটোৱেই আমাৰ বাবে ডাঙৰ কথা। ... অৱন্তী বাইদেৱে কিবা ক'ব খুজিছে যেন পাওঁ, কওক...।

অৱন্তী – হয় মহাশয়! .. অমিয়দাই এটা অতি গুৰুত্বপূৰ্ণ কথাৰ অৱতাৰণা কৰিছে। চাওক ৰাইজ! .. মানুহৰ আৱিৰ্ভাৱ হোৱাৰ আগতেই প্ৰকৃতি আছিল আৰু প্ৰকৃতিয়ে নিজেই নিজৰ লালন – পালন কৰিছিল। প্ৰকৃতিৰ বিস্তাৰ, বৈচিত্ৰ্যাৰু শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত এক স্বংক্ৰিয় প্ৰক্ৰিয়াই অতি সুদক্ষভাৱে কাম কৰিছিল। এই প্ৰক্ৰিয়াটোকেই বিজ্ঞানীসকলে পৰিৱেশতন্ত্ৰ বুলি কয় ... আৰু পৰিৱাশতন্ত্ৰৰ মূল কথাটো হ'লগৈ ...

অলক - ... ইবিধৰ ওপৰত সিবিধৰ মানে ... পৰস্পৰ নিৰ্ভৰশীলতা। এই নিৰ্ভৰশীলতাই হৈছে প্ৰকৃতিৰ চালিকা শক্তি, সঞ্জীৱনী...। মানুহে যেতিয়াৰ পৰাই লোভ আৰু স্বাৰ্থৰ বাবে প্ৰকৃতিক যধে – মধে বেহিপীভাৱে ব্যৱহাৰ কৰিবলৈ ল'লে, তেতিয়াৰপৰাই সমস্যা আৰু প্ৰত্যাহ্বানসমূহ আৰম্ভ হ'বলৈ ধৰিলে ...

অমিয় – অলকে সঠিক ব্যাখ্যাই কৰিছে। .. উন্নতি – প্ৰগতি, বিকাশ – অগ্ৰগতি আদিৰ গইনা লৈ ... ,মানুহে নিৰ্বিবাদে প্ৰকৃতি ধ্বংস কৰিবলৈ ধৰিলে আৰু ... তাৰ ফলতেই আজি গোটেই বিশ্ব আৰু মানৱ সভ্যতাই এক ভয়ানক সংকটৰ সন্মুখীন হ'ব লগীয়াত পৰিছে।

অলক - ... এই লৈ বিজ্ঞানী – প্ৰযুক্তিবিদ =সকলে কোন কাহানিৰে পৰাই সকীয়াই আহিছে যদিও ... সেইবোৰলৈ মণ-কাণ কৰা হোৱা নাই। .. উন্নতি আৰু প্ৰগতিৰ শোভাযাত্ৰাক লৈ আমি ইমানেই মচগুল হৈ পৰিছো যে ... প্ৰকৃতিৰ নিৰাপত্তাকো অৱজ্ঞা কৰি ... প্ৰগতি আৰু উন্নতিৰ শিখৰত আৰোহণ কৰা বুল্লি ফিতাহি মাৰি ফুৰিছো...

অমিয় - যেয়ে যিয়েই নকওক, মই মোৰ অভিজ্ঞতাৰ পৰা এটা কথাই মণে - প্ৰাণে উপলব্ধি কৰিছো, - প্ৰকৃতিৰ সুৰক্ষা আৰু নিৰাপত্তা অবিহনে মানোৱজাত্তি কেতিয়াও সৰক্ষিত আৰু নিৰাপদ নহয়, - পদে পদে বিপদ, পদে পদে দুৰ্য্যোগ আৰু দুখ দুৰ্দশা ...

অৱন্তী - ... অৰু ... প্ৰকৰিতিৰ সৰক্ষাতথা নিৰাপত্তাৰ গুৰিৰ কথাটোৱেই হ’লগৈ, - সুস্থ, সোবল, সক্ষম আৰু কাৰ্য্যদক্ষ পৰিৱেশ- তন্ত্ৰ।

অমিয় - ... এই কথা মানে পৰিৱেশ – তন্ত্ৰৰ সৰ্বাত্মক গুৰুত্বৰ কথা আমেৰিকাৰ বিজ্ঞানী ৰবাৰ্ট পেনে অতি সুন্দৰকৈ দাঙি ধৰিছিল ...

আটায়ে – কি নাম ক’লে বিজ্ঞানীজনৰ?

অমিয় – ৰবাৰ্ট পে-ন।

আটায়ে – ৰবেৰ্ট পে-ন!!

অমিয় – ৰবাৰ্ট পেনৰ সকীয়নিৰ আগলৈকে ...সকলোৱে প্ৰকৃতিক কেৱল নিজৰ লাভৰ বাবেই যধে মধে ব্যৱহাৰ কৰি আহিছিল।

অলক – বাৰু অমিয়দা! ৰবাৰ্ট পেন নো .. ইমান যুগান্তকাৰী সিদ্ধান্ত এটাত কিদৰে উপনীত হ’ল?

অমিয় – স্বাভাৱিকভাৱেই বিশদ আৰু বেছ দীঘলীয়া পৰীক্ষা – নিৰীক্ষাৰ অন্তত। ..পৰিৱেশ তন্ত্ৰৰ গুৰিৰ কথাই উড্ভিদ আৰু জীৱকুলৰ মাজৰ পৰস্পৰ নিৰ্ভৰ্শীলতা। কোনটো প্ৰজাতিৰ ওপৰত কোনটো বা কোনবোৰ প্ৰজাতিৰ অস্তিত্ব নিৰ্ভৰ কৰে, সেয়া অধ্যয়ণৰ জৰিয়তে ঠাৱৰ কৰআ হৈছিল। .. এনেদৰে নিৰ্ভৰ কৰিবলগীয়া প্ৰজাতিবোৰক তেওঁ চাবি-কাঠি প্ৰজাতি নাম দিৱহিল। ইংৰাজীতে কী ষ্ট’ন স্পেচিজ। এনে প্ৰজাতিৰ ধৰণ-কৰ্ণ দৰাচলতে ৰসায়ন বিজ্ঞানৰ অনুঘটক মানে কেটালিষ্টৰ দৰে

অৱন্তী – তাৰ মানে চাবি- কাঠি প্ৰজেতিবোৰক অনুঘটক প্ৰাজাতিও বুলিব পাৰি ...?

অমিয় – নিশ্চয় পাৰি।

সভাপতি – এনে কেইবিধ অনুঘটক প্ৰজাতিৰ নাম আৰু কাম-কাজৰ কথা জানিব পাৰিলে ...

অমিয় – নিশ্চয়, নিশ্চয়! .. এইযে মই ডাঙৰ অটালিকাবোৰত বট – আহঁত আদি গছ হোৱাৰ কথা কৈছিলো, সেইবোৰ কাউৰী – শালিকা, ভাটৌ আদি চৰাইৰদ্বাৰাই হয়। গতিকে, এইবোৰেই আম্র ইয়াৰ চাবি-কাঠি বা অনুঘটক প্ৰজাতি।

অৱন্তী – বিজ্ঞানীসকলে ইয়াৰ সংজ্ঞা বাৰু কেনেদৰে ঠাৱৰ কৰিছে..?

অমিয় – উদ্ভিদ আৰু জীৱকুলৰ জৈৱহিক প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা প্ৰজাতিবোৰেই ... চাবি –কাঠি প্ৰজাতি বা অনুঘটক প্ৰজাতি। এইবোৰ উদ্ভিদৰো হ'ব পাৰে জীৱকুলৰো হ'ব পাৰে।

অলক – তাৰ মানে এনে অনুঘটক প্ৰজাতি বহুবিধ। গতিকে এইবোৰ ধ্বংস কৰা মানেই ..

আটায়ে - ... পৰিৱেশ তন্ত্ৰৰ বিৰা-ট ক্ষতি!

অমিয় – হয়। দুটামান উদাহৰণ দিলে, এই সত্য কেনেদৰে পোহৰলৈ আহিল, সেই কথা আপোনালোকে বুজি পাব। .. উত্তৰ আমেৰিকাত চ'ন'ৰাণ নামে এখন মৰুভূমি আছে। ইয়াত অসংখ্য কেক্টাচ আাছে।

নবীন – মৰুভূমিত জনবসতি নাথাকে। তাত আকৌ কেক্টাচ?? ... সেইবোৰৰ বংবৃদ্ধি হয় কেনেকৈ?

অমিয় – গৈ থৈ সেই কামফেৰাও কৰে অনুঘটক প্ৰজাতিৰ এবিধ চৰাইয়ে। তাত কেক্টাচৰ বংশ বৃদ্ধিৰ স্বাবে লগা পৰাগসংযোগ কৰে এবিধ চৰয়ে, স্থানীয় ভাষাত সেইবিধ চৰাইৰ নাম হাম্মিং বাৰ্ৰ্চ।

অৱন্তী – অ' আমাৰ সেই টিপচি চৰাইৰ দৰেই এবিধ তেনেই সৰি চৰাই!

নবীন – তেতিয়া হ'লে ... এই হাম্মিং বাৰ্ডবোৰ নাইকিয়া হৈ গ'লে ...

আটায়ে - .. চ'ন'ৰাণ মৰুভূমিৰ কেক্টাচবোৰো নাইকিয়া হৈ যাব?

অমিয় আৰু অৱন্তী - ... যাব তো!

অমিয় – দুখৰ কথা শুনক ৰাইজ! .. চ'ন'ৰাণ মৰুভূমিত এতিয়া হাম্মিং বাৰ্ড নামৰ চৰাইবিধ কমি আহিব ধৰিছে আৰু তাৰ মূল কাৰণ হ'লগৈ, - তাৰ সম্পূৰ্ণ পৰিৱেশ তন্ত্ৰক বেফল' গ্ৰাচ নামৰ এবিধ ঘাঁহে ছানি ধৰিছে। .. এনে ধৰণৰ প্ৰজাতিবোৰক আক্ৰমণকাৰী প্ৰজাতি বোলে ...। .. এনে ধৰণৰ প্ৰজাতিবোৰে পৰিৱেশ তন্ত্ৰৰ সাৱলীল চক্ৰটোক বাধিত কৰে আৰু তাৰ ফলত বহু ধৰণৰ অপূৰণীয় ক্ষতি হয় ..

সভাপতি – আমাৰ অসমতো, এনে ধৰণৰ এবিধ আক্ৰমণকাৰী প্ৰজাতিয়ী বিস্তৰ ক্ষতিসাধন কৰিছিল। আপোনালোকৰ মনত আছেনে সেই ঘাঁহবিধৰ নাম?

আটায়ে – পার্ঠেনিয়া-ম!!

অমিয় – হয়, পার্ঠেনিয়াম!! .. ৰাইজ! এতিয়া অধ্যাপক ৰবার্ট পেনৰ আৰু এটা দীৰ্ঘম্যাদী পৰীক্ষাৰ কথা শুনক। .. আপোনালোকে তৰা মাছ মানে 'ষ্টাৰ ফিচ'ৰ কথা জানে, এইবিধ হৈছে সাগৰৰ মাছ। আজিৰ পৰা পঞ্চাচ বছৰ আগতে ... মানে ১৯৬৯ চনত ... তেওঁ সাগৰৰ এক অংশৰপৰা তৰা মাছৰ এটা প্ৰজাতি নোহোৱা কৰি দিলে

নবীন – এইটোতো বেয়া কাম। ইম্মা -ন সন্মানীয় অধ্যাপকজনে ...

অমিয় - ... তেওঁ সেই কাম ধ্বংসৰ উদ্দেশ্যৰে কৰা নাছিল, কৰিছিল বৈজ্ঞানিক পৰীক্ষাৰ খাটিৰতহে।
অলক আৰু অৱন্তী – তাৰ পিছত কি হ'ল অমিয়দা?

অমিয় - ... পূৰা পঁচিশ বছৰৰ পিছত দেখা গ'ল যে ... সেই অংশটোত ... এক বিশেষ প্ৰজাতিৰ সাগৰীয় শামুকে ছাটি ধৰিছিল ... আৰু ... প্ৰায় দহবিধ অমেৰুদণ্ডী প্ৰাণীৰ প্ৰজাতি বিলুপ্ত হৈ গৈছিল ...

অলক আৰু অৱন্তী –ঔ আই! একেবাৰে দহবিধ প্ৰজাতিয়েই বিপুপ্ত হৈ গৈছিল ...

আটায়ে – বাপৰে বাপ! কি ভয়ানক কথা!!!

অমিয় – কব লাগিছে নে আৰু?? .. এই পৰীক্ষাৰ পৰাই খাটাং হোৱা গ'ল যে পৰিৱেশ তন্ত্ৰই চক্ৰাকাৰে কাম কৰে। এই চক্ৰৰ কৰবাত কেতিয়াবা সামান্য বিজুতি ঘটিলেই ... চক্ৰটোৰ গতি ব্যাহত হয় ... আৰু তাৰ ফল বহু ধৰণেই ...

আটায়ে - ... বিষময় হৈ উঠিব পাৰে।

অমিয় – লগতে ই দুৰ্য্যোগ আৰু ভয়াবহ ধ্বংসৰ কাৰণো হৈ পৰিব পাৰে ...। জানিয়েই কৰা হওক বা নাজানিয়েই কোৰা হওক পৰিৱেশ তন্ত্ৰৰ অবিৰত চক্ৰ অবিৰামভাৱে চলি থাকিব দিবই লাগিব, - নহ'লে উপাই নাই, বিপদেই বিপদ!! .. কাৰণ পৰিৱেশ আৰু প্ৰকৃতি হ'লগৈ চিৰদিণৰ, চিৰকালৰ...

অৱন্তী – বাৰু অমিয়দা! প্ৰকৃতি – সংৰক্ষণৰ বাবে যোৱা কেইবা দশক ধৰি ভালেমান চৰকাৰী – বেচৰ্কাৰী আঁচণিতো কাৰ্য্যকৰী কৰি থকাই হৈছে। তথাপিও দেখোন ..

অমিয় – কৃত্ৰিম আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ মাত্ৰা বাঢ়াবহে ধৰিছে।

আটায়ে – হয়, হয়।

অমিয় – হ’বই, এনে বিপদৰপৰা হাত সাৰিবৰ বাবে এতিয়া মাত্র একেটাই উপায়, - প্রকৃতিৰ সুৰক্ষা তথা সংৰক্ষণৰ সমানে সমানে .. পৰিৱেশ তন্ত্রৰ অবিৰত চক্র বাধাহীনভাৱে চলি থকাৰ ব্যৱস্থাও কৰিব লাগিব। ... প্রকৃতিৰ সুৰক্ষা তথা সংৰক্ষণৰ বাবে যিমানেই ভাল কাম কৰা নহওক কিয়, যদি কেনেবাকৈ ক’ৰবাত পৰিৱেশতন্ত্রৰ স্বংক্রিয় চক্রটোৰ ক্ষতিসাধন কৰা হয়, তেনেহ’লে ... কোনো পৰিস্থিতিতেই দুৰ্য্যোগ আৰু দুখ – দুৰ্দশাৰ পৰা হাত সাৰিব পৰা নাযাব।

অলক - ... এই কাম কেনেকৈ কৰিব পৰা যাব?

অমিয় – টিকি থকা মানে বৰ্তি থাকিব পৰা বিকাশৰ আচঁনিক গুৰুত্ব দিব লাগিব

অৱন্তী আৰু সভাপতি – মানে বহনক্ষম বিকাশ??

অমিয় – হয়। .. বহনক্ষম বিকাশৰ গুৰিৰ কথাই হ’লগৈ প্রকৃতিৰ সৈতে সহ –অৱস্থানৰ জৰিয়তে বিকাশ ... মানে স্থানীয় পৰিৱেশ তন্ত্র চক্রৰ ক’তো কোনো ধৰণৰ কেনে নলগাকৈ আগ বঢ়োৱা নিকাশৰ আচঁনি

অলক – তাৰ মানে ... এই পৰিৱেশ তন্ত্রৰ চক্রৰ স্বাভাৱিক গতি ব্যাহত হোৱা মানেই ...?

অমিয় - ... উদ্ভিদ আৰু জীকুলৰ বহুতো প্রজাতি ধৰআৰ বুকুৰপৰা নিশ্চিহ্ন হৈ যোৱা

সভাপতি - ... সেই নিশ্চিহ্ন হব লগিয়া জীৱকুলৰ ভিতৰত আমি মানুহবোৰো পৰো নেকি?

অমিয় – নিশ্চয় পৰো, এশবাৰ পৰো, হেজাৰবাৰ পৰো ..

আটায়ে – আও তেনেহ’লে দেখো-ন কি-ি-ি.. ভয়ংকৰ কথা, কি ভয়কৰ ভৱিষ্যৎ..!!!

অমিয় – হয়, আপোনালোকে ঠিকেই আন্দাজ কৰিছে। .. জন্মসুত্রে আমি আমাৰ ককা – আজো ককাহঁতপৰা যিখন পৃথিৱী, প্রকৃতি আৰু পৰিৱেশ তন্ত্র পাইছো ... তাক আমি আমাৰ নিৰ্বুদ্ধিতাৰে ভয়ানকভাৱে বিকৃত আৰু নষ্ট কৰি পেলেইছো ..। এইবোৰৰপৰা ৰক্ষা পাবৰ বাবে প্রকৃতি আৰু পৰিৱেশতন্ত্রইও ইতিমধয়েই বিভিন্ন ধৰণৰ বিশেষ ব্যৱস্থা হাতত লৈছে ... ফলত এদিন নহয় এদিন ... প্রকৃতি আৰু পৰিৱেশতন্ত্রই এনে এটা অবিৰত চক্র উদ্ভাৱণ কৰিব ... য’ত হয়তো মানুহ নামৰ প্রজাতিটোৰ কোনো অস্তিত্বই নাথাকিব।

আটায়ে – তে –তে –তেনেহ’লে ... উ – উ – উপায় কি?

অমিয় – তাৰে উপায় কৰিবলৈয়েইতো মই ... গাৱঁৰ ল’ৰা গাৱঁলৈ উভতি আহিছো ...। .. গাওঁ পঞ্চায়তে অনুমতি দিলে, মৈ ইয়াতেই এটা ঞাস খুলিম আৰু সেই ন্যাসৰ পৰাই ওচৰ-পাজৰৰ গাওঁবোৰৰ সৈতে মিলি ... আমাৰ এই এলেকাটোৰ বাবে কাম কৰিম।

আটায়ে – (হাততালি) বৰ ভাল কথা! বৰ ভাল কথা!!

অমিয় – আমাৰ লক্ষ্য হ'ব ... এই বৃহত্তৰ এলেকাট্ৰ পৰিৱেশতন্ত্ৰৰ অবিৰত চক্ৰৰ ক'তো যাতে কোনো ধৰণৰ কেনা নালাগে, ক'তো কোনো ধৰণৰ বিসংগতি নঘটে তাৰ বাবে কাম কৰা।

আটায়ে – (হাততালি)

অমিয় - ... কাৰণ মানৱ জাতিৰ এনে ঘোৰ সংকটৰ দিনত সেইটোৱেই এতিয়া একমাত্ৰ উপায়, একমাত্ৰ পথ...

আটায়ে - ... প্ৰকৃতি আৰু পৰিৱেশ তন্ত্ৰ .. জিন্দাবাদ! জিন্দাবাদ!!

অলক – পৰিৱেশ – তন্ত্ৰৰ অবিৰত চক্ৰ অবিৰামভাৱে ..

আটায়ে - ... চলি থাকিবলৈ দিয়ক! চলি থাকিবলৈ দিয়ক!!

অমিয় – কাৰণ, প্ৰকৃতি আৰু পৰিৱেশ – তন্ত্ৰ অবিৰত চক্ৰ ..

আটায়ে - ... চিৰদি-নৰ, চিৰকা-লৰ!! (৩ বাৰ)

*************************************************

প্ৰশ্ন/ প্ৰস্তুতি শ্যামাপ্ৰসাদ শৰ্মা

১. এজন বিজ্ঞানীয়ে পৰিৱেশ – তন্ত্ৰৰ চক্ৰটো সম্পৰ্কে বিশদ আৰু দীৰ্ঘম্যাদী পৰীক্ষা - নিৰীক্ষাৰ পিছত ইয়াৰ গুৰুত্বৰ কথা সুন্দৰভাৱে ব্যাখ্যা কৰে। তেওঁ কোন আৰু কোন দেশৰ?

- আমেৰিকাৰ ৰবাৰ্ট পেন

২. আক্ৰমণাত্মক প্ৰজাতিৰ দুবিধ উদ্ভিদ কি কি?

- বেফল ঘাঁহ আৰু পাৰ্থেনিয়াম

*************************************************